**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-07-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ফিজি, নিউজিলেণ্ড আৰু টিমোৰ লেষ্টেৰ ত্ৰিদেশীয় ভ্ৰমণ সামৰি নতুন দিল্লীলৈ বুলি ৰাওণা হৈছে। এই ভ্ৰমণ কালত ভাৰতৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক উন্নীতকৰণৰ বাবে বুজাবুজিৰ চুক্তি আৰু কেইবাখনো দ্বিপাক্ষিক চুক্তি স্বাক্ষৰ কৰা হয়। নিউজিলেণ্ড ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৰে দেশখনৰ সৈতে দ্বিপাক্ষিক সীমা শুল্ক সহযোগিতা ব্যৱস্থাপনা সম্পৰ্কত চুক্তি স্বাক্ষৰ কৰে। তদুপৰি দেশদুখনে পৰম্পৰাগত ঔষধ আৰু জাম নগৰত থকা পৰম্পৰাগত ঔষদৰ গোলকীয় কেন্দ্ৰৰ জৰিয়তে এইক্ষেত্ৰত উত্তম পদ্ধতিসমূহৰ বিনিময়ৰ বাবে সন্মতি প্ৰকাশ কৰে। ভ্ৰমণৰ অন্তিম পৰ্যায়ত ৰাষ্ট্ৰপতিয়ে টিমোৰ লেষ্টেলৈ যায়। টিমোৰ লেষ্টেত শ্ৰীমতী মুৰ্মুক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান গ্ৰেণ্ড ক'লাৰ অব্ দ্যা অৰ্ডাৰ অব্ টিমোৰ লেষ্টেৰে সন্মানিত কৰা হয়। ৰাষ্ট্ৰপতিয়ে দেশখনৰ ৰাজধানী ডিলিত কালি ৰাষ্ট্ৰপতি যোচ ৰামছ হোৰ্টা আৰু প্ৰধানমন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। দুয়োখন দেশে পাৰস্পৰিক সহযোগিতাৰ তিনিখন বুজাবুজিৰ চুক্তিতো স্বাক্ষৰ কৰে। ভ্ৰমণকালত ৰাষ্ট্ৰপতি মুৰ্মুৰে ভাৰত আৰু টিমোৰ লেষ্টেৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক টিমোৰ লেষ্টেৰ সৰ্বোচ্চ অসামৰিক সন্মান গ্ৰেণ্ড ক'লাৰ অব্ দ্যা অৰ্ডাৰ অব্ টিমোৰ লেষ্টেৰে বিভূষিত কৰাক লৈ গৌৰৱ প্ৰকাশ কৰিছে। ফিজিত ৰাষ্ট্ৰপতিগৰাকীয়ে ১০০ খন বিছনাযুক্ত ছুপাৰ স্পেচিয়েলিটী হৃদৰোগ চিকিৎসালয়খনৰ প্ৰকল্পৰ বাবে অনুমোদন সন্দৰ্ভত নথি হস্তান্তৰ কৰে। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে তিনিওখন দেশৰ সৈতে ভাৰতৰ ঐতিহাসিক অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰলৈ ইয়াক প্ৰসাৰিত কৰিব বুলি আশা কৰা হৈছে। তদুপৰি এই ভ্ৰমণে দেশৰ এক্ট-ইষ্ট নীতিৰ অংশ হিচাপে ভাৰত-প্ৰশান্ত মহাসাগৰীয় আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ মাজত ভাৰতৰ কৌশলগত গুৰুত্ব বৃদ্ধি কৰিব বুলিও ভবা হৈছে।

০০০০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি ধুবুৰী জিলাৰ গোলকগঞ্জ বিধানসভা সমষ্টিৰ অধীনৰ গংগাধৰ নৈৰ তীৰৰ কেইবাখনো ঠাই নাৱেৰে ভ্ৰমণ কৰি জলসম্পদ বিভাগে নিৰ্মাণ কৰা মথাউৰিসমূহ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে অসম-পশ্চিমবংগ সীমান্ত অঞ্চলৰ প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা অঞ্চলত প্ৰয়োজন হোৱা বান খহনীয়া প্ৰতিৰোধী ব্যৱস্থাৰো বুজ লয়।

শ্ৰী হাজৰিকাই জিলাখনৰ কইমাৰি কঠালতলিৰ পৰা নাৱেৰে গংগাধৰ নদীৰ উজনিৰ দিশলৈ পৰিভ্ৰমণ কৰি ভলাৰখাচত উপস্থিত হৈ ২০২২ চনত বানপানীৰ সৃষ্টি কৰা বান্ধটোৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। ভলাৰখাচত নিৰ্মাণ কৰা ডেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিটো নিৰ্মাণৰ পাছত অঞ্চলটোৰ ৪০খন মান গাঁৱৰ এহেজাৰ ৯০০ হেক্টৰ কৃষি ভূমি আৰু ৯০ হাজাৰ লোক বানৰ কবলৰ পৰা মুক্ত হৈছে। মন্ত্ৰীগৰাকীয়ে অসম পশ্চিমবংগ সীমান্তৰ বাগডোক্ৰা, গাৰোপাৰা আৰু ঘৃতিনেৰকুটি ইত্যাদি অসমৰ অন্তৰ্গত কেইবাখনো গাঁৱৰ বান পৰিস্থিতিৰ বুজ লয়। গংগাধৰ নদীয়ে সৃষ্টি কৰা বান আৰু খহনীয়া সমস্যাৰ বিষয়ে স্থানীয় ৰাইজ আৰু বিভাগীয় অভিযন্তাৰ পৰা সবিস্তাৰে বুজ লৈ মন্ত্ৰীগৰাকীয়ে অচিৰেই অত্যাধুনিক প্ৰযুক্তিৰে খহনীয়া প্ৰতিৰোধী ব্যৱস্থা লোৱা হ'ব বুলি স্থানীয় ৰাইজক আশ্বাস দিয়ে। নৱেম্বৰ-ডিচেম্বৰ মাহত অঞ্চলটোত জিঅ' মেগা বেগ আৰু জিঅ' টিউব সংস্থাপন কৰি মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি শ্ৰী হাজৰিকাই অৱগত কৰে।

০০০০০০

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আজি নণৈ, কামপুৰ আৰু বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে শিক্ষানুষ্ঠান কেইখনত ইতিবাচক শিক্ষণ পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যে প্ৰয়োজনীয় সকলো সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। মন্ত্ৰীগৰাকীয়ে অধ্যক্ষসকলৰ সৈতে আন্তঃগাঁথনি বিকাশ তথা কৰ্মচাৰী নিয়োগৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ সম্পৰ্কে আলোচনা কৰে।

oooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দেশৰ পূব, উত্তৰ-পূব আৰু উত্তৰ-পশ্চিম অংশত ১৬ আগষ্ট পৰ্যন্ত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পৰৱৰ্তী ৫ দিনত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি অনুমান কৰিছে। এই সময়ছোৱাত হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, ৰাজস্থান আৰু উত্তৰ প্ৰদেশতো ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগ প্ৰকাশ কৰিছে।

ooooooooo

৭৮ সংখ্যক স্বাধীনতা দিৱসলৈ কেইটামান দিন বাকী থকা অৱস্থাত দেশৰ অন্যান্য অঞ্চলসমূহৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। চিৰাং জিলাৰ সদৰ কাজল গাঁৱত স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ মুখ্য আকৰ্ষণ সামৰিক কুচকাৱাজৰ বাবে পেৰেড গ্ৰাউণ্ডত অসম আৰক্ষী বাহিনী, সীমা সুৰক্ষা বল, গৃহৰক্ষী জোৱান, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে অনুশীলন চলাইছে। ইফালে হোজাইত বিগত কেইবা দিন ধৰি জিলা সদৰ শংকৰদেৱ নগৰৰ কাছাৰী ময়দানত আৰক্ষী আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলে সমুহীয়াভাৱে কুচকাৱাজৰ অনুশীলন কৰিছিল। এই অনুশীলনৰ আজি সামৰণি পৰে। আনহাতে, আজি নলবাৰীত প্ৰাক-স্বাধীনতা দিৱস উদযাপনৰ অংশস্বৰূপে এটা ত্ৰিৰংগ যাত্ৰাৰ আয়োজন কৰা হয়। ভাৰতীয় জনতা যুৱ মৰ্চাৰ বৰক্ষেত্ৰী সমষ্টিৰ সমিতিয়ে আয়োজন কৰা যাত্ৰাটো জিলাখনৰ কৰিয়াৰ পৰা আৰম্ভ হৈ বৰভাগৰ মাজেৰে পৰিভ্ৰমণ কৰি বালিলেছা কালী দেৱালয়ত সামৰণি পৰে।

ooooooooo

**সমাপ্ত**